**জনসংযোগ, অসম**
**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**
**প্ৰেছ বাৰ্তা**

**নং ঃ ২২১/২০২০**

# বিশিষ্ট গান্ধীবাদী নেত্ৰী, স্বাধীনতা সংগ্ৰামী, পদ্মশ্ৰী হেম ভৰালীৰ পৰলোকপ্ৰাপ্তিত মুখ্যমন্ত্ৰী সোণোৱালৰ গভীৰ শোক প্ৰকাশ

**দিছপুৰ, ২৯ এপ্ৰিলঃ** বিশিষ্ট গান্ধীবাদী নেত্ৰী, স্বাধীনতা সংগ্ৰামী পদ্মশ্ৰী হেম ভৰালীৰ পৰলোকপ্ৰাপ্তিত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে গভীৰ শোক প্ৰকাশ কৰিছে।

আজি এক বিবৃতিযোগে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে দেশৰ স্বাধীনতা সংগ্ৰামত সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰাৰ লগতে সমাজৰ দৰিদ্ৰ জনৰ বাবে প্ৰয়াত হেম ভৰালীয়ে জীৱনকালত যি বিশিষ্ট সেৱা আগবঢ়াই গ'ল সেয়া অসমৰ জনসাধাৰণে শ্ৰদ্ধাৰে স্মৰণ কৰিব। সৰ্বোদয় নেত্ৰীগৰাকীয়ে নাৰী সবলীকৰণৰ লগতে সমাজৰ দুৰ্বল শ্ৰেণীৰ আৰ্থ-সামাজিক উত্তৰণৰ বাবেও নিষ্ঠাৰে সেৱা আগবঢ়াই গৈছিল। ভূদান আন্দোলনৰ লগতো জড়িত প্ৰয়াত হেম ভৰালীয়ে দেশ তথা ৰাজ্যৰ সংকটৰ সময়ত সক্ৰিয় ভূমিকা গ্ৰহণ কৰি নতুন প্ৰজন্মৰ বাবে আদৰ্শ দেখুৱাই থৈ গৈছে। তেখেতৰ মৃত্যু আমাৰ সমাজ জীৱনৰ বাবে এক অপূৰণীয় ক্ষতি।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত হেম ভৰালীৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

প্ৰয়াত হেম ভৰালীৰ শেষকৃত্য ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন কৰাৰ বাবেও মুখ্যমন্ত্ৰীয়ে মুখ্য সচিবক নিৰ্দেশ প্ৰদান কৰিছে।

**পুঃডেঃ/বীঃগঃ**
**২৯/৪/২০২০**